# অসম আদিত্য

২১ চ'ত, ১৯৪৬ শক ■ বৃহস্পতিবাৰ, ৪ এপ্ৰিল, ২০২৪ ■ Asom Aditya, Dibrugarh, Thursday, April 4, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী


আয়োজিত অনুষ্ঠানটো অসমীয়া গ্ৰামোফোন কল্যাণ সমিতিৰ সম্পাদক ড° বিনোদ বড়াহ।

### ডিব্ৰুগড় সাহিত্য সভা-কালাৰ্ছ ইনষ্টিটিউটৰ বিহুনাচ-বিহুনামৰ আখৰা সামৰণি

## বেজবৰুৱা ভৱনত ৩ জন ব্যক্তিক সম্বৰ্ধনা



**ডিব্ৰুগড়, ৩ এপ্ৰিল ঃ** ডিব্ৰুগড় সাহিত্য সভাৰ ৰামধেনু উপ-সমিতি আৰু চাবুৱা কাৰ্লাছ ইনষ্টিটিউটৰ যৌথ উদ্যোগত অনুষ্ঠিত হোৱা 'বিহুনাচ, একক বিহু, সৰু বিহুৱতী আৰু বিহু নামৰ কৰ্মশালাৰ সামৰণি আৰু সম্বৰ্ধনা অনুষ্ঠান শুভাৰম্ভ কৰে বিশিষ্ট লেখক, কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি ড° শশীকান্ত শইকীয়াই। এই অনুষ্ঠানত তেওঁ কয় যে বিহুৱে অসমীয়া সংস্কৃতিক অন্য এক মাত্ৰা প্ৰদান কৰিছে। বিহুহীন অসমীয়া সংস্কৃতি কল্পনা কৰিব নোৱাৰি। অসমীয়াৰ বসন্তোৎসৱ বিহু অসমীয়া সংস্কৃতিৰ ধ্বজাবাহক। ৰঙালী বিহুত অসমীয়া ডেকা-গাভৰুৱে নৈৰ চাপৰি, মুকলি পথাৰত অথবা আঁহতৰ তলত ঢোল, পেঁপা, গগনাৰে ৰং-ধেমালি কৰাও যেন অসমীয়া সংস্কৃতিৰে পৰিচয়। তেওঁ লগতে কয় যে ভাষা, সাহিত্য, সংস্কৃতিৰ জৰিয়তে হে এটা জাতি আগুৱাই যাব পাৰে। প্ৰতি বছৰে ডিব্ৰুগড় সাহিত্য সভাই ডিব্ৰুগড়বাসীৰ উৎসাহৰ প্ৰতি লক্ষ্য ৰাখি বিহুৰ প্ৰকৃত লয়লাস, ভংগীমা আদিৰ পৰিৱেশন, উপস্থাপন সন্দৰ্ভত জ্ঞান নৱপ্ৰজন্মক আখৰা শিবিৰৰ জৰিয়তে দিবলৈ চেষ্টা কৰাৰ লগতে চলিত বৰ্ষত এইটো সাহিত্য সভাৰ তৃতীয়টো আখৰা শিবিৰ বুলি ভাষণ প্ৰসংগত কয়। ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল গোহাঁইয়ে আঁত ধৰা উদ্বোধনী অনুষ্ঠানত উদ্দেশ্য ব্যাখ্যা কৰে ৰামধেনু উপ-সমিতিৰ আহ্বায়িকা বিউটী লেখাৰু শইকীয়াই। অনুষ্ঠানত বিশিষ্ট ব্যক্তি হিচাপে উপস্থিত থাকে বিহু সুৰক্ষা সমিতিৰ জিলা সম্পাদক দীনেশ বৰগোহাঁই, সাংস্কৃতিক সম্পাদক প্ৰণৱজ্যোতি গগৈ, কেন্দ্ৰৰ সাংস্কৃতিক সেৱামঞ্চ বিভাগৰসহ অধিনায়ক শান্তনু শইকীয়া, অসম জাতীয়তাবাদী যুৱ পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক উদয়ন কুমাৰ গগৈ, ডিব্ৰুগড় জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি মৃদুল শৰ্মা, লামডিং মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা আৰাধনা দত্ত, ডিব্ৰুগড় সাহিত্য সভাৰ বিত্তীয় সম্পাদক ভূৱনজ্যোতি বৰুৱা, সাংগঠনিক সম্পাদক মীনাক্ষী দাস বৰুৱা, ডিব্ৰুগড় সাহিত্য সভাৰ আকাশ অনুষ্ঠানৰ আহ্বায়িকা তথা জ্যেষ্ঠ বিচাৰক ভাৰতী বৰুৱা দুৱৰা, বৃহত্তৰ ডিব্ৰুগড় নগৰ আঞ্চলিক সমিতিৰ প্ৰীতাঞ্জলি মেধি শৰ্মাসহ বহুকেইগৰাকী গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানতে ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক, বিশিষ্ট সাংবাদিক, শিক্ষক, সমাজকৰ্মী চন্দন ফুকন, সাহিত্যিক পেঞ্চনাৰ চাবুৱাৰ নৰেশ্বৰ হাজৰিকা আৰু শিক্ষক ভাগ্ৰেশ্বৰ গগৈক ডিব্ৰুগড় সাহিত্য সভা আৰু কালাৰ্ছ ইঞ্চটিটিউটৰ তৰফৰ পৰা বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। চন্দন ফুকনে সম্বৰ্ধনা গ্ৰহণ কৰি কয় যে অসম সাহিত্য সভাৰ পূৰ্বেই অৰ্থাৎ ১৮৯৩ চনতেই গঠিত ডিব্ৰুগড় সাহিত্য সভাই অসমীয়া ভাষা সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনলৈ অনবদ্য অৱদান আগবঢ়াই গৈছে। শেহতীয়াকৈ নৱপ্ৰজন্মক ভাষা, সাহিত্যৰ-সংস্কৃতিৰ চৰ্চাৰ ক্ষেত্ৰত প্ৰতিবছৰে এখন মঞ্চ প্ৰদান কৰি আগুৱাই নিয়াৰ লগতে অসমৰ বৃহৎ জাতীয় অনুষ্ঠানটোলৈ সকলো শ্ৰেণীৰ লোকক আৰ্কষিত কৰি আহিছে বুলি মন্তব্য কৰি লগতে চিত্ৰকলা, গীত, নৃত্য, অভিনয়ৰ প্ৰতিষ্ঠান চাবুৱাৰ কালাৰ্ছ ইঞ্চটিটিউটৰ উত্তৰোত্তৰ কামনা কৰে। আনহাতে, আখৰাত সমল ব্যক্তি হিচাপে প্ৰশিক্ষণ প্ৰদান কৰা বিশিষ্ট বিহু বিচাৰক মিঠু দাস আৰু আন্তঃৰাষ্ট্ৰীয় নৃত্য শিৰোমণি বঁটাপ্ৰাপ্ত নৃত্য গুৰু বিউটী লেখাৰু শইকীয়াক বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰা লগতে কালাৰ্ছ ইঞ্চটিটিউটৰ পৰিচালন সঞ্চালক অমল শইকীয়া, সহযোগী প্ৰশিক্ষক মুকুট ডাঙৰীয়াসহ বাদ্য-যন্ত্ৰ সংগত কৰা হীৰকজ্যোতি দাস, বিতুৰাজ গোহাঁই, অমৰদ্বীপ গোহাঁই, উদ্যোক্তাসকলৰ তৰফৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰা হয়। আনহাতে, ডিব্ৰুগড় সাহিত্য সভাৰ সহকাৰী সম্পাদক যাদৱ গগৈয়ে আঁত ধৰা অনুষ্ঠানতে চাবুৱা অঞ্চলৰ নৃত্য-গীত, অভিনয়ৰ অন্যতম প্ৰতিষ্ঠান কালাৰ্ছ ইঞ্চটিটিউটৰ তৰফৰ পৰা একেটা অনুষ্ঠানতে ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি বিশিষ্ট লেখক ড° শশীকান্ত শইকীয়া আৰু ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক তথা জ্যেষ্ঠ সাংবাদিক ৰাতুল গোহাঁইক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত বিগত দিন কেইটাত আখৰাত অংশগ্ৰহণ কৰাসকলৰ দ্বাৰা কেইবাটাও সাংস্কৃতিক অনুষ্ঠান তথা বিহু পৰিৱেশন কৰি অনুষ্ঠানটো জীপাল কৰি তোলে। ৰামধেনু উপ-সমিতিৰ আহ্বায়িকা অৰ্পনা ফুকন দাসে আঁত ধৰা অনুষ্ঠানত আখৰাত অংশগ্ৰহণকাৰীসকলক আনুষ্ঠানিকভাৱে মান-পত্ৰ প্ৰদান কৰে উপস্থিত থকা বিশিষ্ট ব্যক্তিসকলে। আনহাতে, কৰ্মশালাৰ সামৰণী আৰু সম্বৰ্ধনা অনুষ্ঠানত ডিব্ৰুগড় সাহিত্য সভাৰ কাৰ্যকৰী সদস্যা বিতুমণি ফুকন, ডিব্ৰুগড় নগৰ আঞ্চলিক বিহু সুৰক্ষা সমিতিৰ উপ-সভাপতি তৰুণজ্যোতি ফুকন, নিতুলপ্ৰাণ শইকীয়া, কল্পনা কিৰণ কাশ্যপ, নিশা শেনচোৱা, ৰূপী ফুকন দিহিঙীয়া, দীপিকা বৰা, ভাৰতী কলিতা, মৌচুমী বৰ্মন, দীপালি শইকীয়া, বিহুৱতী বন্তিশিখা দাস, ৰীতা শইকীয়া দাস, সদৌ অসম লেখিকা সমাৰোহৰ ৰেণু ফুকন, ডিব্ৰুগড় লেখিকা সমাৰোহৰ লাকী চাংকাকতী, নীলিমা বৰদলৈ, প্ৰমুখ্যে কৰি বিভিন্ন বিষয়ববীয়াসকল আৰু সদস্যাসকলৰ লগতে প্ৰশিক্ষাৰ্থীসকলৰ অভিভাৱকসকল আৰু গণ্য-মান্য ব্যক্তি উপস্থিতিত সফল সামৰণি পৰে। শেষত শলাগৰ শৰাই আগবঢ়াই ৰামধেনু উপ-সমিতিৰ আহ্বায়িকা অৰ্পনা ফুকন দাসে।